**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে চৰাইদেউ জিলাৰ সাপেখাঁতীত এখন নতুন জৱাহৰ নৱোদয় বিদ্যালয় নিৰ্মাণৰ অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আজি এই কথা সদৰি কৰি কয়, যে নতুন বিদ্যালয়খনৰ সংযোজনে জিলাখনৰ শিক্ষাৰ মান অধিক শক্তিশালী কৰাৰ লগতে শিশুসকলক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰিব। তেওঁ লগতে এই সিদ্ধান্তৰ বাবে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক কৃতজ্ঞতা জ্ঞাপন কৰে।

ooooooooo

বি টি আৰত অহা ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি পৰিষদীয় নিৰ্বাচনৰ গতিবিধি ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপি, ইউ পি পি এল, বি পি এফ আৰু অঞ্জলি দৈমাৰীৰ নেতৃত্বত নতুনকৈ গঠিত এ বি পিয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে প্ৰচাৰ অভিযানত নামি পৰিছে। দলকেইটাই ঠায়ে ঠায়ে নিৰ্বাচনী সভা পাতি প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হৈছে। নৱগঠিত এ বি পিয়ে ইতিমধ্যে জিলা, ব্লক আৰু প্ৰাথমিক কমিটী গঠনৰ কাম তীব্ৰতৰ কৰি তুলিছে। দলটোৱে কালি বিয়লি জলডোবা আৰু কুৰ্শাকাটিত দুখন প্ৰাথমিক কমিটী গঠন কৰে।

ইপিনে, চিৰাঙৰ ছাতিয়ানগুৰিত কালি ইউপিপিএলৰ এখন বুথ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে অংশগ্ৰহণ কৰি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে ইউপিপিএলৰ কৰ্মীসকলে এতিয়া ৰাজনীতি বুজি পোৱা হৈছে। কেন্দ্ৰীয় কৰ্মীৰ পৰা বুথ পৰ্যায়ৰ কৰ্মীলৈকে সকলোৱে যিকোনো কামৰ বাবে নিজকে সাজু কৰিছে। এই সন্মিলনত ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰীসহ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooooooo

ৰাজ্যৰ ৰাভা বসতিপ্ৰধান অঞ্চলসমূহত আজি পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে বাইখ'দেৰা বা বায়খ' পূজা পালন কৰা হৈছে। প্ৰতিবছৰে জেঠ মাহৰ পূৰ্ণিমা তিথিত এই পূজা পালন কৰা হয়। এই উৎসৱত ৰাভাসকলৰ পূজনীয় দেৱ-দেৱীলৈ পূজা-অৰ্চনা আগবঢ়োৱা হয় আৰু কৃষিকৰ্ম সুচাৰুৰূপে সম্পন্ন কৰাৰ লগতে ৰাইজৰ উন্নয়ন কামনাৰে এই পূজা অনুষ্ঠিত কৰা হয়। বায়খো হুৰি অসম, খৈৰাবাৰী আঞ্চলিক বায়খো হুৰি অসম, খৈৰাবাৰী আঞ্চলিক ৰাভা জাতীয় সংগঠনৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ওদালগুৰি জিলাৰ খৈৰাবাৰী বৰজামুগুৰি বায়খ'দামত আজিৰেপৰা চতুৰ্দশ বায়খ' উৎসৱ অনুষ্ঠিত হৈছে। এই উৎসৱত জনগোষ্ঠীটোৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰা দেখা গৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বায়খ' উৎসৱ উপলক্ষে ৰাভা জনগোষ্ঠীৰ লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড° শৰ্মাই কয়, যে এই উৎসৱৰ সৈতে ৰাভা জনগোষ্ঠীৰ বিশ্বাস, পৰম্পৰা, একতা আৰু কৃষক সমাজৰ সপোন জড়িত হৈ আছে। তেওঁ লগতে এই উৎসৱে সমন্বয়ৰ বীজ সিঁচি কৃষক সমাজৰ সপোন সাৰ্থক কৰিব আৰু সকলোৱে জীৱন সুখ-সমৃদ্ধিৰে উপচাই পেলাব বুলি আশা কৰে।

ooooooooo

ৰাজ্যত দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এইপৰ্যন্ত বিভিন্ন জিলাৰ পৰা ৯২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ এনে অভিযোগত লখিমপুৰ আৰক্ষীয়ে ছাবিকুল ইছলাম আৰু নগাঁও আৰক্ষীয়ে দুলাল বৰা নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে।

০০০০০০০০০

কামাখ্যা মন্দিৰত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মহাযোগ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত কালি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত শ্ৰীদাসে দেশী-বিদেশী অগণন ভক্তৰ সমাগম হ'বলগীয়া অম্বুবাচী মহাযোগ শৃংখলাবদ্ধভাৱে পৰিচালনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। অম্বুবাচী মহাযোগত অংশগ্ৰহণ কৰিবলৈ অহা ভক্তসকলৰ বাবে এইবাৰ ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰী শ্ৰীদাসে কয়, যে এই সমগ্ৰ বিষয়টো আলোচনাৰ বাবে কামাখ্যা মন্দিৰৰ ৩ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত দল-সংগঠনসমূহক আলোচনাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে।

শ্ৰী দাসে এই সময়ছোৱাত সমদল উলিয়াই আধ্যাত্মিক পৰিৱেশ বিনষ্ট নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে অম্বুবাচী মহাযোগৰ সময়ত জোতা-চেণ্ডেল পৰিধান কৰি মা কামাখ্যা মন্দিৰলৈ নাযাবলৈও ৰাইজক আহ্বান জনায়। অম্বুবাচীৰ সময়ত কোনোধৰণৰ ভি আই পি পাছৰ কোনো ব্যৱস্থা নাথাকিব্ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

কামৰূপ জিলাৰ মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ, শুৱালকুছিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। এই উপলক্ষে আজি বিয়লিৰ ভাগত দ্বীপ মালিকা, নগৰত ভাগৱত শোভাযাত্ৰা আৰু মন্দিৰত গুৰুলীলা সেৱাৰ গীত পৰিৱেশন কৰা হ'ব। নিশা শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত মহিলাৰ দিহানাম প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। কাইলৈ পুৱা ঊষা কীৰ্তন, আইসকলৰ প্ৰসংগ, ধৰ্মীয় পতাকা উত্তোলন, বাপসকলৰ প্ৰসংগ, পাঠপঢ়া, চৰিত তোলা, সেৱাৰ গীত পৰিৱেশন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। বিয়লি ধৰ্মালোচনী সভা, সম্বৰ্ধনা সভা আৰু বঁটা বিতৰণী সভাৰ আয়োজন কৰা হৈছে। কাইলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসমৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে ৰাজ্যৰ কোনো কোনো ঠাইত প্ৰতিঘণ্টাত ৬০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

সমাপ্ত